আমাৰ অসম
গুৱাহাটী, সোমবাৰ ■ ২৮ শাওণ, ১৯৪৫ শক
■ ১৪ আগষ্ট ২০২৩

# দিছপুৰ কলেজত 'পথিক'ৰ তৰ্ক প্ৰতিযোগিতা

**'আমাৰ অসম'ৰ মহানগৰ সংবাদ, ১৩ আগষ্ট ঃ** সামাজিক-সাংস্কৃতিক বেচৰকাৰী সংস্থা পথিকে ২০ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপনাৰ্থে শনিবাৰে উত্তৰ-পূৰ্বাঞ্চল ভিত্তিত প্ৰথমবাৰৰ বাবে আয়োজন কৰা তৰ্ক প্ৰতিযোগিতাত কটন বিশ্ববিদ্যালয়ৰ জিৎ পাঠকে নিজৰ শ্ৰেষ্ঠতা প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হয়। 'প্ৰযুক্তিৰ অগ্ৰগতিয়ে যুৱ-প্ৰজন্মৰ মানসিকতালৈ ভয়াবহতা কঢ়িয়াই আনিছে' শীৰ্ষৰে দিছপুৰ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজন কৰা এই তৰ্ক প্ৰতিযোগিতাত সমগ্ৰ উত্তৰ- পূৰ্বাঞ্চলৰ মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ পৰা অনলাইন প্ৰ-পত্ৰৰ যোগে অভিলেখসংখ্যক ৬৬ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। পুৱা ১০.৩০ বজাত পথিকৰ সঞ্চালক ভিক্টৰ ৰাজকুমাৰৰ বন্তি প্ৰজ্বলন আৰু মূখ্য অতিথি দিছপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা তৰ্ক বিশেষজ্ঞ ড° নৰজ্যোতি বৰাৰ আদৰণি ভাষণেৰে আনুষ্ঠানিক উদ্বোধন কৰা তৰ্ক প্ৰতিযোগিতাখনৰ অধ্যক্ষ পদ অলংকৃত কৰে বিশিষ্ট সমাজ হিতৈষী, বিশিষ্ট তৰ্ক বিশেষজ্ঞ তথা গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বিশিষ্ট অধিবক্তা নেকিবুৰ জামানে। দলীয় আৰু ব্যক্তিগত ভাবে দুটা শাখাত আয়োজিত এই প্ৰতিযোগিতাত দলীয় শাখাত শ্ৰেষ্ঠ দলৰ খিতাপ নগদ-ধন ৭০০০ টকা, বঁটা, প্ৰমাণ-পত্ৰ লাভ কৰে মিশ্ৰীত দলৰ ৰাজদ্বীপ মহন্ত আৰু সুদৰ্শন শৰ্মাই, দ্বিতীয় শ্ৰেষ্ঠ দলৰ খিতাপ নগদ-ধন ৫০০০ টকা, বঁটা, প্ৰমাণ-পত্ৰ লাভ কৰে অসম গ্ল'বেল বিশ্ববিদ্যালয়ৰ নিষ্কামনা অসমীয়া আৰু ধীমান চক্ৰৱৰ্তীয়ে আৰু তৃতীয় শ্ৰেষ্ঠ দলৰ খিতাপ নগদ-ধন ৩০০০ টকা, বঁটা, প্ৰমাণ-পত্ৰ লাভ কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অনল অংকুশ বড়া আৰু অংকুৰ বৰাই, ঠিক তেনেকৈ ব্যক্তিগত শাখাত শ্ৰেষ্ঠ খিতাপ নগদ-ধন ৫০০০ টকা, বঁটা, প্ৰমাণ-পত্ৰ লাভ কৰে কটন বিশ্ববিদ্যালয়ৰ জীৎ পাঠকে, দ্বিতীয় শ্ৰেষ্ঠ খিতাপ নগদ-ধন ৩০০০ টকা, বঁটা, প্ৰমাণ-পত্ৰ লাভ কৰে আই এম চি এম এছৰ মনোজ কুমাৰ বৰুৱাই, তৃতীয় শ্ৰেষ্ঠ খিতাপ নগদ-ধন ২০০০ টকা, বঁটা, প্ৰমাণ- পত্ৰ লাভ কৰে অৰুণীমা ধৰে। বিশিষ্ট গীতিকাৰ, সুৰকাৰ, জ্যেষ্ঠ সাংবাদিক, তৰ্ক বিশেষজ্ঞ আমাৰ অসম কাকতৰ কাৰ্যবাহী সম্পাদক গৌতম শৰ্মা আৰু গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বিশিষ্ট অধিবক্তা, তৰ্ক বিশেষজ্ঞ উমি ডেকা বৰুৱাৰ বিচাৰৰ ৬৬ প্ৰতিযোগীৰ মাজৰ পৰা বিচাৰকৰ ৭জনৰ ভিতৰত স্থান লাভ কৰি বঁটা, প্ৰমাণ- পত্ৰ লাভ কৰিবলৈ সক্ষম হয় ক্ৰমে লিঅৰট' কনভেন্ট-চিলংৰ দৰ্শনা পাটোৱাৰী, শিৱসাগৰ বানিজ্য মহাবিদ্যালয়ৰ গীতাৰ্থ বৰা, উত্তৰ লক্ষীমপুৰ মহাবিদ্যালয়ৰ মানস জ্যোতি শইকীয়া, গুৱাহাটী বিশ্ববিদ্যালয়ৰ মিন্টু ডেকা, দিছপুৰ মহাবিদ্যালয়ৰ নাইনা শৰ্মা, পৰ কামৰূপ মহাবিদ্যালয়ৰ আব্দুল মজিদ আলী আৰু গুৱাহাটী বাণিজ্য মহাবিদ্যালয়ৰ ৰিণি পাঠকে। বঁটা বিতৰণীৰ পূৰ্বে ড° সংগীতা ৰাজখোৱাই সম্পাদনা কৰা প্ৰথম উত্তৰ-পূৰ্বাঞ্চল ভিত্তিত তৰ্ক প্ৰতিযোগিতাৰ মুখ পত্ৰ 'পথিক' উন্মোচন কৰে মুখ্য অতিথি দিছপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৰজ্যোতি বৰা, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বিশিষ্ট অধিবক্তা নেকিবুৰ জামান, মিনতি বৰুৱাই। পথিকে প্ৰথমবাৰৰ বাবে আয়োজন কৰা এই তৰ্ক প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা ৬৬ জন প্ৰতিযোগীক অংশগ্ৰহণ মানপত্ৰ প্ৰদান কৰা হয়।

Guwahati, Monday, August 14, 2023

দৈনিক জনমভূমি

## পথিকৰ প্ৰাইজমানি তৰ্ক প্ৰতিযোগিতাত

# কটন বিশ্ববিদ্যালয়ৰ জিৎ পাঠক শ্ৰেষ্ঠ

গুৱাহাটী, ১৩ আগষ্ট ঃ অসমৰ আগশাৰীৰ সামাজিক-সাংস্কৃতিক বেচৰকাৰী সংস্থা পথিকে ২০ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপনাৰ্থে ১২ আগষ্টত উত্তৰ-পূৰ্বাঞ্চল ভিত্তিত প্ৰথমবাৰৰ বাবে আয়োজন কৰা তৰ্ক প্ৰতিযোগিতাত কটন বিশ্ববিদ্যালয়ৰ জিৎ পাঠকে শ্ৰেষ্ঠ হয়। 'প্ৰযুক্তিৰ অগ্ৰগতিয়ে যুব-প্ৰজন্মৰ মানসিকতালৈ ভয়াৱহতা কঢ়িয়াই আনিছে' শীৰ্ষৰে দিশপুৰ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজন কৰা এই তৰ্ক প্ৰতিযোগিতাত সমগ্ৰ উত্তৰ- পূৰ্বাঞ্চলৰ মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ পৰা অনলাইন প্ৰ-পত্ৰৰ যোগে অভিলেখ সংখ্যক ৬৬ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। পুৱা ১০-৩০ত পথিকৰ সঞ্চালক ভিক্টৰ ৰাজকুমাৰৰ বন্তি প্ৰজ্বলন আৰু মুখ্য অতিথি দিশপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা বিশিষ্ট তৰ্ক বিশেষজ্ঞ ড° নৱজ্যোতি বৰাৰ আদৰণী ভাষণেৰে আনুষ্ঠানিকভাৱে উদ্বোধন কৰা তৰ্ক প্ৰতিযোগিতাখনৰ অধ্যক্ষ পদ অলংকৃত কৰে বিশিষ্ট সমাজহিতৈষী, বিশিষ্ট তৰ্ক বিশেষজ্ঞ তথা গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বিশিষ্ট অধিবক্তা নেকিবুৰ জামানে। দলীয় আৰু ব্যক্তিগতভাৱে দুটা শাখাত আয়োজিত এই প্ৰতিযোগিতাত দলীয় শাখাত শ্ৰেষ্ঠ দলৰ খিতাপ লাভ কৰে মিশ্ৰিত দলৰ (Cross team)ৰ ৰাজদ্বীপ মহন্ত আৰু সুদৰ্শন শৰ্মাই। দ্বিতীয় শ্ৰেষ্ঠ দলৰ খিতাপ লাভ কৰে অসম গ্ল'বেল বিশ্ববিদ্যালয়ৰ নিষ্কামনা অসমীয়া আৰু ধীমান চক্ৰৱৰ্তীয়ে আৰু তৃতীয় শ্ৰেষ্ঠ দলৰ খিতাপ লাভ কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অনল অংকুশ বড়া আৰু অংকুৰ বৰাই। ব্যক্তিগত শাখাত শ্ৰেষ্ঠ খিতাপ লাভ কৰে কটন বিশ্ববিদ্যালয়ৰ জীৎ পাঠকে, দ্বিতীয় শ্ৰেষ্ঠ খিতাপ লাভ কৰে আই এম চি এম এছৰ মনোজ কুমাৰ বৰুৱাই, তৃতীয় শ্ৰেষ্ঠ খিতাপ লাভ কৰে অৰুণিমা ধৰে। বিচাৰক ৭জনৰ ভিতৰত স্থান লাভ কৰি বঁটা, প্ৰমাণ-পত্ৰ লাভ কৰে ক্ৰমে লিঅ'বট' কনভেণ্টচিলঙৰ দৰ্শনা পাটোৱাৰী, শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ গীতাৰ্থ বৰা, উত্তৰ লখিমপুৰ মহাবিদ্যালয়ৰ মানস জ্যোতি শইকীয়া, গুৱাহাটী বিশ্ববিদ্যালয়ৰ মিণ্টু ডেকা, দিছপুৰ মহাবিদ্যালয়ৰ নাইনা শৰ্মা, পূব কামৰূপ মহাবিদ্যালয়ৰ আব্দুল মজিদ আলী আৰু গুৱাহাটী বাণিজ্য মহাবিদ্যালয়ৰ ৰিণি পাঠকে।

# দিছপুৰ কলেজত কৌশল বিকাশ কেন্দ্ৰ মুকলি

মহানগৰ বাৰ্তা, ২৩ আগষ্ট ঃ দিছপুৰ মহাবিদ্যালয় চৌহদত কৌশল বিকাশ কেন্দ্ৰৰ (আধুনিক টেইলাৰিং স্কুল) অলপতে উদ্বোধন কৰে অধ্যক্ষ ড° নৱজ্যোতি বৰা আৰু গুৱাহাটী লায়ন্স ক্লাবৰ সভাপতি অজয় পোদ্দাৰে। এই দক্ষতা বিকাশ কেন্দ্ৰটো দিছপুৰ কলেজ আৰু বাজাজ হেল্‌থ কেয়াৰ ছ'চিয়েল ফাউণ্ডেচন, মুম্বাইৰ উদ্যোগত গুৱাহাটীৰ লায়ন্স ক্লাবৰ সহযোগত সমাজৰ বাবে উৎসৰ্গিত কৰা হয়। এই কেন্দ্ৰটোৱে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ লগতে আশে-পাশে থকা অঞ্চলৰ স্থানীয় জনসাধাৰণক পৰম্পৰাগত আৰু পশ্চিমীয়া উভয় সাজ-পোছাকত ডিজাইনিঙৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিছে। এই কেন্দ্ৰটোৱে কৰ্মসংস্থাপন, ছোৱালী আৰু মহিলাৰ সবলীকৰণ আৰু জীৱনত আত্মনিৰ্ভৰশীলতাৰ পথ মুকলি কৰিব। প্ৰশিক্ষণ কেন্দ্ৰটোত মটৰচালিত চিলাই মেচিন ৯টা, কম্পিউটাৰাইজড এম্ব্ৰইডাৰী মেচিন ১টা, শিক্ষাৰ্থীৰ চকী ২০খন, ডেস্ক আৰু বেঞ্চৰ ব্যৱস্থা কৰিছে। উদ্বোধনী অনুষ্ঠানত লায়ন্স জিলা আৰু ক্লাবৰ সদস্যসকল উপস্থিত থাকে ক্ৰমে পংকজ পোদ্দাৰ, ঋতু বাংকা, অশোক গোৱাল, সুৰেশ গড় আৰু ক্লাবৰ সম্পাদক ৰাজেশ ভুত, প্ৰকাশ চিকাৰিয়া, সুনীল আগৰৱালা (জেটিচি), কিশোৰ সাবু, অৰবিন্দ গোৱেল, দিলীপ চাৰাফ, মনোজ ভোজংকা, কেপি ব্ৰহ্মা, আনন্দ আয়াৰ, সভাপতি লায়ন্স উমাং কাঞ্চন পোদ্দাৰ, দীপক বেংগানী, সঞ্জয় সোণথলিয়া, মুকেশ জৈনৰ লগতে মহাবিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

# দিছপুৰ কলেজৰ চৌহদত কৌশল বিকাশ কেন্দ্ৰ মুকলি

মহানগৰ ব্যুৰ', ২৩ আগষ্ট ঃ গুৱাহাটীৰ দিছপুৰ মহাবিদ্যালয় চৌহদত আজি কৌশল বিকাশ কেন্দ্ৰ (আধুনিক টেইলাৰিং স্কুল) উদ্বোধন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰা আৰু গুৱাহাটী লায়ন্স ক্লাবৰ সভাপতি অজয় পোদ্দাৰে। এই দক্ষতা বিকাশ কেন্দ্ৰটো দিছপুৰ কলেজ আৰু বাজাজ হেল্‌থ কেয়াৰ ছ'চিয়েল ফাউণ্ডেশ্যন, মুম্বাইৰ উদ্যোগত



গৌহাটীৰ লায়ন্স ক্লাবৰ সহযোগত সমাজৰ বাবে উৎসৰ্গিত কৰা হয়। এই কেন্দ্ৰটোৱে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ লগতে আশে-পাশে থকা অঞ্চলৰ স্থানীয় জনসাধাৰণক পৰম্পৰাগত আৰু পশ্চিমীয়া উভয় সাজ-পোছাকত ডিজাইনিঙৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিছে। এই কেন্দ্ৰটোৱে কৰ্মসংস্থাপন, যুৱতী আৰু মহিলাৰ সবলীকৰণ আৰু জীৱনত আত্মনিৰ্ভৰশীলতাৰ পথ মুকলি কৰিব। প্ৰশিক্ষণ কেন্দ্ৰটোত মটৰ চালিত চিলাই মেচিন ৯টা, কম্পিউটাৰাইজড্ এম্ব্ৰইডাৰী মেচিন ৰটা, শিক্ষাৰ্থীৰ চকী ২০খন, ডেস্ক আৰু বেঞ্চৰ ব্যৱস্থা কৰিছে। উদ্বোধনী অনুষ্ঠানত লায়ন্স জিলা আৰু ক্লাবৰ সদস্যসকল উপস্থিত থাকে ক্ৰমে ভি ডি জি পংকজ পোদ্দাৰ, আৰ চি ঋতু বাংকা, জে ড চি অশোক গোৱাল, ক্লাবৰ সম্পাদক ৰাজেশ ভুত, প্ৰকাশ চিকাৰিয়া, সুনীল আগৰৱালা, কিশোৰ সাবু, অৰবিন্দ গোৱেল, দিলীপ চাৰাফ, মনোজ ভজংকা, কে পি ব্ৰহ্মা, আনন্দ আয়াৰ, সভাপতি লায়ন্স উমাং কাঞ্চন পোদ্দাৰ, দীপক বেংগানী, সঞ্জয় সোণথলিয়া, মুকেশ জৈনৰ লগতে মহাবিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। লায়ন্স ক্লাব গুৱাহাটীয়ে যোৱা বছৰ ২৬০০ ছাত্ৰ-ছাত্ৰীক বিশুদ্ধ খোৱাপানী যোগান ধৰিবলৈ মহাবিদ্যালয়খনক উদ্যোগিক পানী আৰ অ' প্লাণ্ট যোগান ধৰিছে।

আমাৰ অসম

গুৱাহাটী শুকুৰবাৰ ■ ৭ ভাদ, ১৯৪৫ শক

■ ২৫ আগষ্ট ২০২৩

কাংশ পশু

হ

ৰ’

ত

ৱাল

ত্ৰীসকলক
য়া জাতিৰ
ৱাজ সামৰি
মোদীয়ে
ৱাই নিছে
নিষ্ঠা আৰু
কেতিয়াও
আজি প্ৰাণী
কৃষ্ণই কৈ
জগত বাছি
ম পানীক
তওঁ উল্লেখ
ৰী সকলো
। উল্লেখ্য,
কতা সভাৰ

# দিছপুৰ কলেজত টেইলৰিং-দক্ষতা কেন্দ্ৰ উদ্বোধন

‘আমাৰ অসম’ৰ মহানগৰ সংবাদ, ২৪ আগষ্ট ঃ ২৩ আগষ্টত দিছপুৰ কলেজত গুৱাহাটী লায়নছ ক্লাবৰ সহযোগত টেইলৰিং আৰু চিলাই দক্ষতা কেন্দ্ৰ এটা উদ্বোধন কৰে কলেজখনৰ অধ্যক্ষ ড° নৱজ্যোতি বৰা আৰু লায়নছ ক্লাব, গুৱাহাটীৰ সভাপতি অজয় পোদ্দাৰে। কেন্দ্ৰটোৰ বাবে চিলাই মেচিনসমূহ প্ৰদান কৰে লায়নছ ক্লাব, গুৱাহাটীয়ে। কেন্দ্ৰটোৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক কাপোৰ চিলাই আৰু ডিজাইনিঙৰ দক্ষতা বিকাশৰ সুবিধা দিয়া হ’ব। এই কেন্দ্ৰত ইচ্ছুক প্ৰতিবেশীয়েও প্ৰশিক্ষণ লোৱাৰ ব্যৱস্থা থাকিব। উদ্বোধনী অনুষ্ঠানত কলেজৰ শিক্ষক, ছাত্ৰ-ছাত্ৰীৰ লগতে লায়নছ ক্লাব, গুৱাহাটীৰ কেইবাজনো সদস্য উপস্থিত থাকে। কেন্দ্ৰটোৰ জৰিয়তে একাংশ ছাত্ৰ-ছাত্ৰী বৃত্তিমুখী হ’ব পাৰিব বুলি আশা কৰা হৈছে।

‘আমাৰ অসম’ৰ
শিঙৰা সমবায়
নতুন মোৰ লৈ
কেন্দ্ৰ কৰি নাও
এই সন্দৰ্ভত স
লগতে লখিমপু
অৱস্থাৰ সৃষ্টি
সীমাৰেখা তল
চাউল আবণ্টন
সমিতিখনৰ গু
লখিমপুৰৰ খাদ
এই সন্দৰ্ভত
বিৰুদ্ধে লালুক
শিঙৰা সমবায়
তাৎপৰ্যপূৰ্ণ কথ
চাউলসমূহ যি
ইফালে লখিমপ
শৰ্মাই সমগ্ৰ বি
বিভাগে এনে ব
ব্যৱস্থা কৰাত ব
পিছত গুদামৰে
হোৱা চাউলৰ
সমবায় সমিতি
সমবায় সমিতি
বিচাৰি যায়
সমিতিখনৰ উ
প্ৰশাসনে সঠিব

ডিব্ৰু

THE ASSAM TRIBUNE
GUWAHATI, MONDAY, AUGUST 28, 2023

# Dispur College holds career counselling for students

**STAFF REPORTER**

GUWAHATI, Aug 27: The Career Counselling and Placement Cell of Dispur College organized a job fair in association with the National Career Service Centre for Differently Abled and SC/ STs at Dispur College auditorium on Thursday.

The job fair was inaugurated by the principal of the college Dr Navajyoti Borah in the presence of Arvind Ramteke, assistant director, NCSC-DA and members of the corporate fraternity.

Dr Borah in his inaugural speech emphasized on the need to change the mindset of the society to consider the corporate domain as an avenue for job-seeking. He also highlighted the commitment of the Career Counselling and Placement Cell as well as the College in general to ensure that students master skills during their academic years and acquire jobs immediately after they graduate or during the course of their studies.

Dr Borah commented that the fair would be a platform for employment while for many it would be a first-hand experience of an interview that would help them in their future endeavours in terms of enhanced communication skills, confidence-building and personality development.

He further said that Dispur College would continue to act as a platform of youth and socio-economic development in the region by conducting three to four placement drives within each academic year.

A Ramteke appreciated the effort of the college in transforming itself into a skill learning and placement hub.

Companies like Jio Telecom, Bikozee Ecotech Pvt Ltd, Technowell, Baayu, Arohan and Marico participated in the fair.

More than 50 students appeared in the interviews during the fair.

# দিছপুৰ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন ঃ বাৰ্ষিক আলোচনী উন্মোচন

**প্ৰতিদিন বিশেষ সেৱা, গুৱাহাটী, ২৮ আগষ্ট ঃ** দিছপুৰ মহাবিদ্যালয়ৰ প্ৰাংগণত আজি মহাবিদ্যালয়ৰ ৪৫ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। এই উপলক্ষে পুৱা মহাবিদ্যালয় অধ্যক্ষ ড° নৱজ্যোতি বৰাই পতাকা উত্তোলন আৰু উপাধ্যক্ষ ড° সুনীতা আগৰৱালাই ছহিদ তৰ্পণ কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। প্ৰতিষ্ঠা দিৱস উদ্‌যাপন সমিতিৰ আহ্বায়ক তথা দৰ্শন বিভাগৰ সহযোগী অধ্যাপক ড° মামণি কলিতাই আঁত ধৰা অনুষ্ঠানটোৰ মুকলি সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই। মুকলি সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে লোকসংস্কৃতিৰ গৱেষক ড° অনিল শইকীয়া। 'অসমৰ লোকগীত' শীৰ্ষক



বিষয়ত বক্তব্য প্ৰদান কৰি ড° শইকীয়াই কয় যে নিৰক্ষৰ, চহা আৰু হোজা বুলি যিসকল লোকক কোৱা হয়, তেওঁলোকৰ সাধনা, স্মৃতিশক্তি আৰু দক্ষতাৰ ফলতেই আজিৰ লোকসাহিত্যৰাজিৰ সৃষ্টি। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° বলেন্দ্ৰ কুমাৰ দাস। মুকলি সভাতেই দিছপুৰ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'দিছপুৰীয়ান' আৰু তিনিখনকৈ সম্পাদনামূলক গ্ৰন্থ উন্মোচন কৰাৰ উপৰি মহাবিদ্যালয়ৰ এটা ইউটিউব চেনেল আৰু মহাবিদ্যালয় সংগীত দৃশ্য-শ্ৰব্য মাধ্যমত শুভাৰম্ভ কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি আয়োজন কৰা 'ভাৰতৰ জি-২০ অধ্যক্ষতাৰ বাবে মোৰ দৃষ্টিভংগী' শীৰ্ষক ৰচনা প্ৰতিযোগিতাত স্থানপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলক পুৰস্কাৰ প্ৰদান কৰাৰ উপৰি অংশগ্ৰহণকাৰীসকলক মানপত্ৰ প্ৰদান কৰা হয়। ২০২২-২৩ বৰ্ষৰ শ্ৰেষ্ঠ স্নাতক, শ্ৰেষ্ঠ পুথিভঁৰাল পঢ়ুৱৈ, শ্ৰেষ্ঠ বিভাগ, শ্ৰেষ্ঠ শিক্ষক বঁটা আদিও এই সভাতেই প্ৰদান কৰা হয়। ইয়াৰ পৰৱৰ্তী সাংস্কৃতিক অনুষ্ঠানত মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী প্ৰমুখ্যে ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ কৰি সক্ৰিয়া প্ৰতিষ্ঠা দিৱসৰ বন্তি প্ৰজ্বলন কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ বন্তি প্ৰজ্বলক হিচাপে উপস্থিত থাকে দিছপুৰ মহাবিদ্যালয়ৰ প্ৰাক্তন সহযোগী অধ্যাপক ড° সুমিত্ৰা চৌধুৰী।

# দিছপুৰ মহাবিদ্যালয়ত ৪৫সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন



**গুৱাহাটী, ২৮ আগষ্ট ঃ** অসমৰ উচ্চ শিক্ষাৰ আগশাৰীৰ অন্যতম প্ৰতিষ্ঠান দিশপুৰ মহাবিদ্যালয়ৰ প্ৰাংগণত আজি বৰ্ণাঢ্য কাৰ্যসূচীৰে ৪৫সংখ্যক প্ৰতিষ্ঠা দিৱস অনুষ্ঠিত কৰা হয়। পুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই পতাকা উত্তোলন আৰু উপাধ্যক্ষ ড° সুনীতা আগৰৱালাই শ্বহীদ তৰ্পণ কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। প্ৰতিষ্ঠা দিৱস উদ্‌যাপন সমিতিৰ আহ্বায়ক তথা দৰ্শন বিভাগৰ সহযোগী অধ্যাপক ড° মামণি কলিতাই আঁতধৰা অনুষ্ঠানটোৰ মুকলি সভাত সভাপতিত্ব কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই পোনপ্ৰথমে যিসকল বৰেণ্য ব্যক্তিৰ উদ্যোগ তথা অশেষ কষ্টৰ ফলত মহাবিদ্যালয়খন স্থাপন হৈছিল তেওঁলোকলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে আৰু লগতে কয় যে ছাত্ৰ-ছাত্ৰীসকলক বিদ্যায়তনিক দিশতে সীমাবদ্ধ নাৰাখি কেনেকৈ সৰ্বাংগীণ দিশতে আগবঢ়াই নিব পাৰি তাৰ অহোপুৰুষাৰ্থ অব্যাহত ৰখাৰ লগতে দিশপুৰ মহাবিদ্যালয়ে সামাজিক দায়বদ্ধতাৰ স্বৰূপ প্ৰকাশৰ বাবে বৃহত্তৰ গণেশগুৰি অঞ্চলত কৰা কৰ্মসমূহৰ চমু বিশ্লেষণ আগবঢ়ায়।। উক্ত মুকলি সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে লোকসংস্কৃতিৰ গৱেষক ড° অনিল শইকীয়া। 'অসমৰ লোকগীত' শীৰ্ষক বিষয়ত বক্তব্য প্ৰদান কৰি ড° শইকীয়াই কয় যে নিৰক্ষৰ, চহা আৰু হোজা বুলি যিসকল লোকক কোৱা হয়, তেওঁলোকৰ সাধনা, অতি প্ৰসৰ স্মৃতিশক্তি আৰু দক্ষতাৰ ফলতেই আজিৰ লোক সাহিত্যৰাজিৰ সৃষ্টি। অসমীয়া লোকগীতৰ বিহুগীতৰ পৰা আৰম্ভ কৰি বেলাড, বিয়ানাম আদিৰ অতি তাত্ত্বিক কথাবোৰ অতি ৰসাত্মকভাৱে লোক-সংস্কৃতিৰ সাধকগৰাকীয়ে বৰ্ণনা কৰে। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ড° বলেন্দ্ৰ কুমাৰ দাসে কয় যে যি শিক্ষাই আমাক ভাল দিক্ষা নিদিয়ে, তেনে শিক্ষা মূল্যহীন। সুন্দৰৰ যি ভৱিষ্যতৰ বাণী, দৰ্শন, সাধনা, উদ্দীপনা অনা ভাবাবেগ, সেয়াইহে আমাক মানুহৰ শাৰীত থিয় কৰায়। মুকলি সভাতেই দিছপুৰ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'দিছপুৰীয়ান' আৰু তিনিখনকৈ সম্পাদনামূলক গ্ৰন্থ উন্মোচন কৰাৰ উপৰি মহাবিদ্যালয়ৰ এটা ইউটিউব চেনেল আৰু মহাবিদ্যালয় সংগীত দৃশ্য-শ্ৰব্য মাধ্যমত শুভাৰম্ভ কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি আয়োজন কৰা 'ভাৰতৰ জি-২০ অধ্যক্ষতাৰ বাবে মোৰ দৃষ্টিভংগী' শীৰ্ষক ৰচনা প্ৰতিযোগিতাত স্থানপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলক পুৰস্কাৰ প্ৰদান কৰাৰ উপৰি অংশগ্ৰহণকাৰীসকলক প্ৰমাণ-পত্ৰ প্ৰদান কৰা হয়। ২০২২-২৩ বৰ্ষৰ শ্ৰেষ্ঠ স্নাতক, শ্ৰেষ্ঠ পুথিভঁৰাল পঢ়ুৱৈ, শ্ৰেষ্ঠ বিভাগ, শ্ৰেষ্ঠ শিক্ষক বঁটা আদিও এই সভাতেই প্ৰদান কৰা হয়। ইয়াৰ পৰৱৰ্তী সাংস্কৃতিক অনুষ্ঠানত মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী প্ৰমুখ্যে ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ কৰি সন্ধিয়া প্ৰতিষ্ঠা দিৱসৰ বন্তি প্ৰজ্বলন কৰা হয়। ৪৫ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ বন্তি প্ৰজ্বলক হিচাপে উপস্থিত থাকে দিছপুৰ মহাবিদ্যালয়ৰ প্ৰাক্তন সহযোগী অধ্যাপক ড° সুমিত্ৰা চৌধুৰী।

শক্তিআশ্ৰম উঃ মাধ্যমিক কাৰিকৰী বিদ্যালয়